This question paper consists of 25 questions and 8 printed pages.
এই প্ৰশ্নকাকতত 25 টা প্ৰশ্ন আৰু 8 খন ছপা পৃষ্ঠা আছে।

Roll No. | | | | | | | | | | | | |
ৰোল নং.

Code No. 69/S/A/A
কোড নং.

Set / ছেট - **A**

# ASSAMESE
# (অসমীয়া)
# (228)

**Day and Date of Examination**
**(পৰীক্ষাৰ দিন আৰু তাৰিখ)** ______________________

**Signature of Invigilators** 1. ______________________
**(নিৰীক্ষকৰ স্বাক্ষৰ)**
2. ______________________

---

***সাধাৰণ নিৰ্দেশাৱলী ঃ***

1 সমস্ত প্ৰশ্নৰ উত্তৰ আপোনাক দিয়া উত্তৰ পুস্তিকাত দিব লাগিব।

2 এই প্ৰশ্নপত্ৰখন পঢ়িবৰ বাবে 15 মিনিট সময় দিয়া হৈছে। প্ৰশ্নপত্ৰখন দুপৰীয়া 02:15 বজাত বণ্টন কৰা হ'ব। 02:15 ৰ পৰা 02:30 পৰ্যন্ত সময় বিদ্যাৰ্থীসকলক প্ৰশ্নপত্ৰখন কেৱল পঢ়িবৰ বাবে দিয়া হৈছে। এই সময়ত তেওঁলোকে উত্তৰ পুস্তিকাত কোনোধৰণৰ উত্তৰ লিখিব নোৱাৰিব।

3 প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাত পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নং সঠিককৈ লিখিব।

4 পৰীক্ষাৰ্থীয়ে প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাৰ শীৰ্ষত উল্লেখ কৰা মতে প্ৰশ্ন বহীখনত মুঠ প্ৰশ্নৰ সংখ্যা ক্ৰমানুসাৰে আছে নে নাই আৰু পৃষ্ঠাৰ সংখ্যা ঠিক মতে আছে নে নাই নিশ্চিত হৈ ল'ব লাগিব।

5 সকলোবোৰ প্ৰশ্নৰ উত্তৰ নিৰ্দিষ্ঠ সময়ৰ ভিতৰত কৰিব লাগিব।

6 নিৰ্দিষ্ঠ স্থানৰ বাহিৰে প্ৰশ্ন-উত্তৰ বহীৰ অন্য কোনো স্থানত ৰোল নং বা পৰীক্ষাৰ্থীৰ চিনাক্তকৰণৰ যি কোনো তথ্য লিখিলে পৰীক্ষাৰ্থীৰ পৰীক্ষা বাতিল হ'ব।

7 উত্তৰ বহীত প্ৰশ্নকাকতৰ সাংকেতিক সংখ্যা 69/S/A/A, ছেট - A উল্লেখ কৰিব।



Unnati Educations
9899436384, 9654279279

# ASSAMESE

(অসমীয়া)

(228)

সময় : 3 ঘন্টা] [পূৰ্ণমান : 100

টোকা :

(i) এই প্ৰশ্নকাকতখনত দুটা খণ্ড আছে - 'ক' অংশ আৰু 'খ' অংশ।

(ii) প্ৰশ্নকাকতৰ দুয়োটা অংশ সামৰি মুঠ প্ৰশ্ন সংখ্যা 25 টা। সকলো প্ৰশ্নৰ উত্তৰ দিয়াটো বাধ্যতামূলক।

(iii) প্ৰতিটো প্ৰশ্নৰ বিপৰীতে নিৰ্ধাৰিত নম্বৰ দিয়া হৈছে।

(iv) বস্তুনিষ্ঠ/বহুবিকল্প প্ৰশ্ন 'ক' অংশ আৰু বিষয়ভিত্তিক/বৰ্ণনামূলক প্ৰশ্ন 'খ' অংশত দিয়া হৈছে। প্ৰশ্নৰ লগতে সেইবোৰৰ আভ্যন্তৰীণ বিকল্পও দিয়া হৈছে। নিৰ্দেশনা অনুসৰি বিকল্পসমূহ মনত ৰাখি সকলো প্ৰশ্নৰ উত্তৰ দিব।

(v) 'ক' অংশত মুঠ 17 টা প্ৰশ্ন আছে। 1 নং প্ৰশ্নৰ পৰা 5 নং প্ৰশ্নলৈ মুঠ 20 টা বহুবিকল্প/বস্তুনিষ্ঠ (MCQ) প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে। প্ৰশ্ন নং 6 ৰ পৰা 17 লৈকে অন্যান্য বস্তুনিষ্ঠ প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে।

(vi) 'খ' অংশত মুঠ 8 টা প্ৰশ্ন আছে। প্ৰশ্ন নং 18 ৰ পৰা 25 লৈকে বৰ্ণনামূলক আৰু ৰচনাধৰ্মী প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে।

(vii) দুয়োটা অংশতে জ্ঞানমূলক, বোধমূলক আৰু প্ৰয়োগমূলক প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে।

---

## ক - অংশ

1 তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক : 1×4=4

(i) জন্মভূমি' কবিতাটিৰ কবিগৰাকী কোন?

(ক) নৱকান্ত বৰুৱা (খ) হীৰেন ভট্টাচাৰ্য

(গ) যতীন্দ্ৰ নাথ দুৱৰা (ঘ) নলিনী বালা দেৱী

(ii) তলৰ কোনখন পুথি যতিন্দ্ৰ নাথ দুৱৰা ৰচিত?

(ক) সন্ধিয়াৰ সুৰ (খ) বনফুল

(গ) বিভিন্ন দিনৰ কবিতা (ঘ) অলকানন্দা

(iii) 'কাকুতি' নামৰ বৰগীতটো কোনখন সংকলনৰ?

(ক) নামঘোষা (খ) বৰগীত

(গ) কেলিগোপাল (ঘ) কালিয়দমন

(iv) তলৰ কোনটো মাদাৰ টেৰেছাক ভাৰত চৰকাৰে দিয়া সন্মান?

(ক) ভাৰত গোৰৱ (খ) পদ্ম বিভূষণ

(গ) পদ্মশ্ৰী (ঘ) পৰমবীৰ চক্ৰ



Unnati Educations
9899436384, 9654279279

2 তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক : 1×4=4

(i) প্ৰতিটো ঋতুৱে কবিক কি দি যায়

(ক) ভবিষ্যতৰ সপোন (খ) ভালপোৱাৰ আশীৰ্বাদ

(গ) জীৱনৰ আশীৰ্বাদ (ঘ) সপোনৰ কলৰোন

(ii) জীৱনৰ শেষ সন্ধিয়া মানে কি?

(ক) ৰাতি কাল (খ) সন্ধিয়া কাল

(গ) অন্তিম কাল (ঘ) ডেকা কাল

(iii) কিহত কবিয়ে পৰান মিলাই দিব খুজিছে?

(ক) বসন্তৰ সেউজীয়া (খ) কাতিৰ কুঁৱলীত

(গ) ফাগুনৰ মলয়াত (ঘ) নতুন ৰাতিপুৱাত

(iv) ৰুচিনাথ কাৰ পুত্ৰ আছিল?

(ক) গদাধৰ সিংহৰ (খ) পূৰ্ণানন্দৰ

(গ) চন্দ্ৰকান্ত সিংহৰ (ঘ) পুৰন্দৰ সিংহৰ

3 তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক : 1×4=4

(i) খালী ঠাই পূৰ কৰক :

মুদিম ______ চকু।

(ক) এতিয়া (খ) তোমাৰ কোলাত

(গ) পুনৰ (ঘ) আকৌ

(ii) খালী ঠাই পূৰ কৰক :

জন্মই মানুহক মহৎ নকৰে, ______ দ্বাৰাহে মানুহ মহৎ হয়।

(ক) ধনৰ (খ) কণ্ঠৰ

(গ) প্ৰেৰণাৰ (ঘ) কাৰ্যৰ

(iii) 'সন্ধি' শব্দৰ আধুনিক প্ৰতিশব্দ হৈছে -

(ক) জোৰালগোৱা (খ) সুৰুঙা

(গ) মাজত (ঘ) দোমাহী

(iv) 'আদিম' শব্দটোৰ অৰ্থ হ'ল -

(ক) চেঁচা (খ) বৃক্ষ

(গ) অতিপ্ৰাচীন (ঘ) হিংস্ৰ



Unnati Educations
9899436384, 9654279279

4 তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক : 1×4=4

(i) ইচ্ছাপত্ৰখন কোনে লিখিছে?

(ক) কৰুনাকান্ত কলিতাই (খ) গোবৰ্ধন কলিতাই

(গ) শান্তনা কলিতাই (ঘ) সোমেশ্বৰ ভূঞাই

(ii) বনৰীয়া হাতীক ঘৰচীয়া কৰাটো কোন জনগোষ্ঠীৰ কাম?

(ক) অষ্ট্ৰিক (খ) দ্ৰাবিড়

(গ) আৰ্য (ঘ) নিগ্ৰোবটু

(iii) ওজাপালি দলটোত মুঠ গায়ক থাকে -

(ক) চাৰিজন বা ছয়জন (খ) পাঁচজন বা সাতজন

(গ) তিনিজন বা চাৰিজন (ঘ) আঁঠজন বা নজন

(iv) বৰবৰুৱাই কাক খুবুলি কঁৰো বুলি ভাবিছিল?

(ক) ভৈৰৱ কুণ্ডক (খ) পৰশুৰাম কুণ্ডক

(গ) গংগা কুণ্ডক (ঘ) মানুহক

5 তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক : 1×4=4

(i) চন্দ্ৰকান্ত সিংহ কোন?

(ক) অসমৰ প্ৰথম আহোম ৰজা

(খ) অসমৰ শেষৰ জনা আহোম ৰজা

(গ) অসমৰ শেষৰ আগৰজন ৰজা

(ঘ) অসমৰ দ্বিতীয় ৰজা

(ii) ভাৰতলৈ আহি খিতাপি লোৱা সুপ্ৰাচীন মানৱগোষ্ঠিটো হ'ল -

(ক) দ্ৰাবিড় (খ) অষ্ট্ৰিক

(গ) আৰ্য (ঘ) আহোম

(iii) ভাৰত চৰকাৰে ভাৰতৰ বন্যপ্ৰাণী সংৰক্ষণ সংস্থা গঠন কৰিছিল -

(ক) ১৯৫৬ চনত (খ) ১৯৫৯ চনত

(গ) ১৯৫৭ চনত (ঘ) ১৯৫৮ চনত

(iv) কাজিয়াখনে আহি ভৰি দিলেহি -

(ক) তৃতীয় পুৰুষত (খ) দ্বিতীয় পুৰুষত

(গ) সাত পুৰুষত (ঘ) চাৰি পুৰুষত

6 তলৰ দিয়াবোৰৰ খালী ঠাই পূৰণ কৰক : 2×2=4

(i) এভৰ _______ বন

অতি মোহ পাশে _______

(ii) উলট পালট দেশ, _______ নহয় শেষ

কটাৰীৰো _______ তাৰে কাটে।



Unnati Educations
9899436384, 9654279279

7 তলৰ 'ক' অংশৰ লগত 'খ' অংশ মিলাই লিখক : 4

| 'ক' অংশ (প্ৰাচীন শব্দ) | 'খ' অংশ (আধুনিক অৰ্থ) |
|---|---|
| (i) কাকৃতি | (ক) কৰিলে |
| (ii) কৈলে | (খ) সংসাৰ |
| (iii) ভৱ | (গ) গভীৰ |
| (iv) গহন | (ঘ) মিনতি |

**অথবা**

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| (i) বাঁশ পূজা | (ক) দৰঙৰ এটি উল্লেখযোগ্য বসন্ত উৎসৱ |
| (ii) সোৰি | (খ) বড়ো সকলৰ বিশিষ্ট লোক নৃত্য |
| (iii) দেউল | (গ) দক্ষিণ কামৰূপৰ এদিনীয়া বসন্ত উৎসৱ |
| (iv) বাগুৰুম্বা | (ঘ) অবিভক্ত গোৱালপাৰাৰ এক লোকানুষ্ঠান |

8 তলৰ অনুচ্ছেদটো ভালদৰে পঢ়ক আৰু নিম্নলিখিতবোৰৰ নিৰ্দেশ অনুসৰি উত্তৰ লিখক : 1×4=4

বিষ্ণুপ্ৰসাদ ৰাভাৰ জন্ম হৈছিল ১৯০৯ চনত ঢাকা চহৰত। ঢাকা বৰ্তমান বাংলাদেশৰ ৰাজধানী। সেই সময়ত তাত বংগদেশৰ লাট চাহাব আছিল। আজি কালি আমি ৰাজ্যপাল বুলি কওঁহক। ৰাভাৰ দেউতাক গোপাল চন্দ্ৰ ৰাভা আছিল সশস্ত্ৰ বাহিনীৰ চুবেদাৰ মেজৰ। আমাৰ দেশ ভাৰতবৰ্ষ সেই সময়ত ইংৰাজৰ অধীন আছিল। ভাৰতীয় লোকক সশস্ত্ৰ বাহিনীৰ উচ্চ পদস্থ বিষয়াৰ পদত নিযুক্তি দিয়া হোস্কা নাছিল। ভাৰতীয় লোকক নিযুক্তি দিয়া উচ্চতম পদ আছিল চুবেদাৰ মেজৰ।

(i) বিষ্ণু প্ৰসাদ ৰাভাৰ জন্ম হৈছিল ১৯০৯ চনত _______ চহৰত।

(ক) দিল্লী (খ) ঢাকা

(গ) লাহোৰ (ঘ) কোহিমা

(সঠিক বিকল্পটো বাছি উলিয়াওক)

(ii) ৰাভাৰ দেউতাক গোপাল চন্দ্ৰ ৰাভা আছিল সশস্ত্ৰ বাহিনীৰ _______।

(খালী ঠাই পূৰণ কৰক)

(iii) আমাৰ দেশ ভাৰতবৰ্ষ সেই সময়ত _______ অধীন আছিল।

(খালী ঠাই পূৰণ কৰক)

(iv) ভাৰতীয় লোকক নিযুক্তি দিয়া উচ্চতম পদ আছিল :

(ক) হাবিলদাৰ মেজৰ (খ) চুবেদাৰ মেজৰ

(গ) মেজৰ (ঘ) কৰ্নেল মেজৰ

9 'লতা কটা' ৰন পাঠটো কোনখন বুৰঞ্জীৰ পৰা চয়ন কৰা হৈছে? 1

**অথবা**

মনিপুৰৰ ৰজাজনৰ নামটো কি আছিল?



Unnati Educations
9899436384, 9654279279

10 ঘুনুচাৰ শেষ পৰিনতি কি হ'ল? 1

**অথবা**

এগ্নিছৰ শিক্ষা জীৱন ক'ত আৰম্ভ হয়?

11 ৰমজান মাহৰ ৰোজা কেইদিনীয়া? 1

**অথবা**

কনমাইৰ ল'ৰাটোৱে কি চাকৰি কৰিছিল?

12 সূৰ্যৰ অপকাৰী তীক্ষ্ণ ৰশ্মি বিধৰ নাম কি? 1

**অথবা**

গোপীনাথ বৰদলৈৰ পত্নীৰ নাম কি?

13 **'ক' অংশৰ যিকোনো চাৰিটা পাঠৰ লগত 'খ' অংশৰ লেখকৰ নাম মিলাই লিখক :** **1×4=4**

| **'ক' অংশ** | | **'খ' অংশ** | |
|---|---|---|---|
| (i) | বাৰে বৰনীয়া অসমীয়া সংস্কৃতি | (ক) | তাৰিনীকান্ত গোস্বামী |
| (ii) | বৰবৰুৱাৰ গাত চতৰ বিহু | (খ) | শৰৎচন্দ্ৰ গোস্বামী |
| (iii) | ভাৰতৰ বৈচিত্ৰ্যৰ মাজত ঐক্য | (গ) | নাৰায়ণ দাস |
| (iv) | প্ৰতিশোধ | (ঘ) | বিপুল বৰুৱা |
| (v) | বন্যপ্ৰাণী আৰু ইয়াৰ সংৰক্ষণ | (ঙ) | লক্ষ্মীনাথ বেজবৰুৱা |
| (vi) | ঘুনুচা | (চ) | মহিম বৰা |

14 তলৰ যিকোনো **তিনিটাৰ** খালী ঠাই পূৰণ কৰক : **1×3=3**

(i) ৰবীন্দ্ৰ শব্দৰ সন্ধি ভাঙিলে হ'ব _______।

(ii) যথা + ইষ্ট সন্ধি কৰিলে হ'ব _______।

(iii) বিদ্যালয় শব্দৰ সন্ধি ভাঙিলে হ'ব _______।

(iv) ইতি + আদি সন্ধি কৰিলে হ'ব _______।

15 তলৰ যিকোনো **তিনিটাৰ** খালী ঠাই পূৰণ কৰক : **1×3=3**

(i) নাৰৰীয়া শব্দৰ প্ৰত্যয় বিন্যাস হৈছে _______।

(ii) বিদেশী শব্দৰ প্ৰত্যয় বিন্যাস হৈছে _______।

(iii) আগতীয়া শব্দৰ প্ৰত্যয় বিন্যাস হৈছে _______।

(iv) দন্দুৰা শব্দৰ প্ৰত্যয় বিন্যাস হৈছে _______।



Unnati Educations
9899436384, 9654279279

16 তলৰ যিকোনো **দুটাৰ** খালী ঠাই পূৰণ কৰক : 1×2=2

(i) অগ্নিৰ সমাৰ্থক শব্দ হৈছে _______।

(ii) হাতীৰ সমাৰ্থক শব্দ হৈছে _______।

(iii) উদয়ৰ বিপৰীতাৰ্থক শব্দ হৈছে _______।

(iv) ইহকালৰ বিপৰীতাৰ্থক শব্দ হৈছে _______।

17 তলৰ যিকোনো **দুটা বাক্য** এটা শব্দত প্ৰকাশ কৰক : 1×2=2

(i) ৰজাৰ প্ৰতি ভক্তি যাৰ

(ii) যি পানীত জন্মে

(iii) যি আনৰ অধীন

**খ - অংশ (বিষয়নিষ্ঠ প্ৰশ্ন)**

18 তলত দিয়া যিকোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ **20-25** টা শব্দৰ ভিতৰত লিখক : 2×3=6

(i) দুৰ্ভগীয়া মানুহ গৰাকীৰ ভাগ্য আগতে কেনেকুৱা আছিল?

(ii) কি ঘটনাই এগনিছক মানৱসেৱাৰ প্ৰতি অনুৰাগী কৰি তোলে?

(iii) মগনীয়াৰ মাহ বুলিলে কি বুজা?

(iv) কবিয়ে আকাশৰ তৰা হ'ব খোজাৰ কাৰণ কি?

19 তলত দিয়া যিকোনো **দুটা** প্ৰশ্নৰ উত্তৰ **30-40** টা শব্দৰ ভিতৰত লিখক : 3×2=6

(i) কুশান গান সম্পৰ্কে চমুকৈ লিখক।

(ii) ভূমি প্ৰদূষণ কি দৰে সাধিত হয়?

(iii) বিষয়বস্তু অনুসৰি ওজাপালি অনুষ্ঠানটোক কি দুটা বহল ভাগত ভাগ কৰিব পাৰি বুজাই লিখক।

20 তলত দিয়া কাব্যাংশৰ কবি আৰু কবিতাৰ নাম উল্লেখ কৰি কাব্যিক সৌন্দৰ্য বৰ্ণনা কৰক : 5

(ক) এ ভৱ গহন বন আতি মোহ পাশে ছন্ন
তাহে হামু হৰিণ বেড়াই।
ফান্দিলো মায়াৰ পাশে কাল ব্যাধ ধায়া আসে
কাম ক্ৰোধ কুত্তা খেদি খাই।।

**অথবা**

মেলিলো প্ৰথম চকু,
তোমাৰ কোলাতে আই
জনমৰ আদিম পুৱাত
মুদিম আকো চকু
তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত।



Unnati Educations
9899436384, 9654279279

21 প্ৰসংগ সংগতি দৰ্শাই কবিতাৰ পৰা **এছোৱা** আৰু গদ্যাৰ পৰা **এছোৱা** ব্যাখ্যা কৰক : **4×2=8**

(ক) হৰাইল চেতন হৰি নজানো কি মতে তৰি
শুনিতে দগধ ভৈল জীৱ।
লোভ মোহ দুহো বাঘ সততে নছাতে লাগ
ৰাখু ৰাখু সদাশিৱ।।

(খ) জীৱনে মৰনে শয়নে সপোনে এই দেশৰ আহ্বান মই শুনিছোঁ। শত্ৰু মিত্ৰ সকলোকে মই চিনিছোঁ। সিঁহতৰ অন্তৰ মই বিশ্বাসেৰে জিনিছোঁ। শান্তিৰ চৰাইযুৰিক আঁজলি ভৰাই দিছোঁ - ভঁৰালৰ এমুঠি ধান, পৰানৰ একোটি গান।

(গ) ক'লে কিজানি নপতিয়াবা, কিন্তু কঁও যে বৰবৰুৱাৰ হা আজি সাতখন আঠখন।

(ঘ) অসমৰ সংস্কৃতিৰ অন্যতম সম্পদ হ'ল - ধৰ্মমূলক নৃত্য সমূহ।

22 ভাৱ সম্প্ৰসাৰণ কৰক (যিকোনো দুছোৱা): **4×2=8**

(ক) অভাৱে স্বভাৱ নষ্ট কৰে।

(খ) জীৱন পৰীক্ষা মছুৰ্তে হয়
বিশ্ববাসীয়ে বিচলিত কদাপি নহয়।

(গ) যি মূলা বাঢ়িব তাৰ দুপাততে চিন।

23 তলৰ প্ৰশ্নৰ উত্তৰ **100** ৰ পৰা **150** শব্দৰ ভিতৰত লিখক : **4**

(ক) "তুমিয়েহে মোৰ একমাত্ৰ বিপদৰ বন্ধু। মোৰ মান-মৰ্যাদা, সিংহাসন সকলো তোমাৰ উপৰত নিৰ্ভৰ" এইষাৰ কাৰ উক্তি? কথাখিনি বুঝাই লিখক।

**অথবা**

(খ) "মণ্ডলক হাত কৰি লৈ অলপ ঘোচ-ঘাচ দি আমজোপা সহ প্ৰায় এহাত মাটি জোখত নিজৰ কৰি ল'লে" - কোনে কেনেকৈ এনে কাম কৰিলে বুজাই লিখক।

24 তলৰ প্ৰশ্নৰ উত্তৰ **150** ৰ পৰা **200** শব্দৰ ভিতৰত লিখক : **5**

(ক) "ঘুনুচাই দুখৰ ভিতৰতো, মেঘৰ ভিতৰত বিজুলীৰ নিচিনা এটি সুখৰ ৰেখা দেখা পালে, দূৰত এটি আশাৰ দীপ জিলিকিল" - বুজাই লিখক।

**অথবা**

(খ) গোপীনাথ বৰদলৈৰ শিশুকালৰ জীৱনযাত্ৰাৰ আভাস দিয়ক।

25 তলৰ যিকোনো এটা বিষয়ৰ ওপৰত এখন ৰচনা লিখক : **8**

(ক) প্ৰিয় সাহিত্যিক

(খ) পুথিভঁৰাল

(গ) অসমৰ বানপানীৰ সমস্যা।



Unnati Educations
9899436384, 9654279279